بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বাৎসৰিক জলছাৰ কৰ্মীবৃন্দ আৰু অতিথি সকললৈ দিয়া নচিহত সম্পৰ্কে বৰ্ণনা।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ জুলাই ২০২৩ চনত হাদিকাতুল মেহেদী আলটেন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাৰ কৃপাত আজিৰ পৰা জমাতে আহমদীয়া বৃটেইনৰ বাৎসৰিক জলছাৰ শুভাৰম্ভ হ'বলৈ লৈছে। খিলাফতৰ বৰ্তমানত ইয়াতে এই জলছা অনুষ্ঠিত কৰা হৈ আছে আজি প্ৰায় চাৰিটা দহক পাৰ হৈ গ'ল। প্ৰথম অৱস্থাত এই ডাঙৰ অনুষ্ঠানৰ ব্যৱস্থাপনা সম্পৰ্কে ইয়াতে থকা জমাতৰ সদস্য সকলক বহু কথাই শিকাব লগা হৈছিল। যি বিষয়ে হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)য়ে আগতেই নিজৰ ফালৰ কিছুমান নিৰ্দেশনা আগবঢ়াই থৈ গৈছে আৰু ৰাবোৱাৰ পৰা লোকক মাতি আনি কাম শিকাইছিল আৰু তাতে মহতৰম চৌধুৰী হামিদুল্লাহ চাহাব এই বাৎসৰিক জলছাৰ অফিচাৰও আছিল। ১৯৮৫ চনত ইয়াতে খিলাফতৰ বৰ্তমানত প্ৰথম জলছা অনুষ্ঠিত হয় যদিও ইয়াৰ আগতে ১৯৮৪ চনতও জলছা অনুষ্ঠিত হৈছিল কিন্তু সেয়া বৰ সৰুকৈ অনুষ্ঠিত কৰা হৈছিল। ১৯৮৫ চনত অনুষ্ঠিত হোৱা জলছাত সম্ভৱত পাঁচ হাজাৰ লোকে অংশ গ্ৰহণ কৰিছিল। তাতেও ব্যৱস্থাপক সকলে চিন্তিত হৈ পৰিছিল যে কেনেকৈ ইমান ডাঙৰ প্ৰোগ্ৰাম এটা সুকলমে পৰিচালিত কৰিব। বৰ্তমানে জেলি তনজিমৰ ইজতেমাতেই ইয়াতকৈ বেছি জন সমাগম হৈ থাকে আৰু সেয়া তনজিমৰ ফালৰ পৰাই সুন্দৰ ভাৱে পৰিচালনা কৰি উঠায়। যিয়েই নহওঁক এই সম্পৰ্কে এতিয়া বৃটেইনৰ জমাত বাৰু কৈ পাৰ্গত হৈ উঠিছে। যিহেতু আজি তিনি চাৰি বছৰ পিছত আকৌ বহল আকাৰে বাৎসৰিক জলছাৰ আয়োজন কৰা হৈ আছে সেয়ে পৰিচালক মণ্ডলীয়ে অলপ চিন্তিত হৈ পৰিছে যে চল্লিছ হাজাৰ লোকৰ উপস্থিত আমি সুন্দৰ ভাৱে নিয়াৰকৈ চলাই নিব পাৰিম নে নোৱাৰিম । কিন্তু আল্লাহ তা'লাৰ কৃপাত আমি আশা ৰাখো যে ইয়াৰে কৰ্মী বৃন্দই নিয়াৰকৈ সকলো ব্যৱস্থা ও পৰিস্থিতি চম্ভালি ল'ব পাৰিব।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যোৱা দেউবাৰে মই সেই সময় লৈকে সম্পাদিত হোৱা কামবোৰৰ

পৰ্য্যবেক্ষণ কৰিছো। আল্লাহৰ কৃপাত প্ৰত্যেক বিভাগতে মই কৰ্মী বৃন্দ সকলৰ বৰ পাৰ্গত আৰু অভিজ্ঞ দেখিবলৈ পাইছো। যিবোৰ চিন্তা মোৰ আছিল সেয়া আল্লাহ তা'লা দূৰ কৰিছে। আল্লাহ তা'লা আমাৰ সমস্যা আৰু সকলো চিন্তাৰ সমাধান কৰি থাকক আৰু থাকিব মাত্ৰ চৰ্ত হ'ল আমি  তাৰ কৃপা গ্ৰহণ কৰোঁতা হ'ব লাগিব। আমাৰ সকলো কাম আমাৰ সাৰ্ববামতা আৰু পাগতালি ও অভিজ্ঞতাৰ দ্বাৰা সুসম্পন্ন নহয়, বৰং একমাত্ৰ আল্লাহৰ কৃপাতহে সম্পাদিত হয়।

যোৱা জুমাৰ খোতবাত মই সকলো কৰ্মীবৃন্দক এই ফালে মনোযোগ আকৰ্ষণ কৰিছোঁ যে পৰিশ্ৰম, উত্তম আচৰণ আৰু দোৱাৰ মাজেৰে আল্লাহৰ সহায় বিচাৰি প্ৰত্যেক জন কৰ্মী আৰু প্ৰত্যেক জন পৰিচালকে নিজৰ নিজৰ কাম কৰি যাব লাগিব। আকৌ মই কৰ্মীবৃন্দক ক'ব বিচাৰিছো যে আপোনালোকে সকলোৱেই যি আগ্ৰহেৰে নিজকে এই কৰ্তব্যত নিয়োগ কৰিছে সেই প্ৰেৰণা আৰু আগ্ৰহ প্ৰতিষ্ঠিত ৰাখি কৰিবলগীয়া কামখিনি এইকেইটা দিন কৰি যাব। এইদৰে এই কথাখিনিও মনত ৰাখিব যে নিজৰ ডিউটিৰ লগতে আমি আল্লাহ তা'লাৰ ইবাদতৰ হকও আদায় কৰিব লাগিব। নিজৰ নামাজ সময়মতে পঢ়ি ল'ব লাগিব, নিজৰ আত্মাক পৱিত্ৰ ৰখাৰ চেষ্টা কৰিব লাগিব। এনেদৰে মই জলছালৈ অহা অতিথি বৃন্দলৈও কেইটামান কথা ক'ব বিচাৰিছো।

সৰ্বপ্ৰথম আৰু গুৰুত্বপূৰ্ণ কথা হ'ল এয়া যে জলছাত যোগদানকাৰী সকলে হজৰত মছীহ মাওউদ (আঃ)ৰ এই কথাবোৰ বাৰে বাৰে মনত পেলাব যে এই জলছা কোনো জাগতিক মেলা বা উৎসৱ নহয়। এই জলছাত আমি যোগদান কৰাৰ এটা বিশেষ উদ্দেশ্য আছে আৰু সেই উদ্দেশ্য হ'ল এয়া যে আমি নিজৰ জ্ঞান বুদ্ধি আৰু আধ্যাত্মিকতা আৰু নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰিব লাগিব। আল্লাহ আৰু তাৰ ৰছুল (ছাঃ)ৰ প্ৰেম হৃদয়ত গাঁথিত কৰিব লাগিব। যেতিয়া এইবোৰ বিষয়লৈ মনোযোগ আকৰ্ষিত হ'ব তেতিয়া জলছাৰ কোনো সুবিধা অসুবিধালৈ চকু নাযাব। আৰু নিজৰ উদ্দেশ্যৰ ফালে আগবাঢ়ি যোৱা যাব।

জলছাত যোগদানকাৰী সকলে এয়া নিয়মিত ভাৱে নিজকে সাজু কৰি ল'ব লাগিব যে জলছা চলাকালীন অৱস্থাত ইফালে সিফালে ঘূৰি ফুৰাৰ পৰিৱৰ্তে প্ৰোগ্ৰাম সমূহ মনোযোগেৰে শুনিব লাগিব। বিভিন্ন কাৰ্যসূচী চলাৰ মাজত যিখিনি সময় বিৰতি মাজে মাজে হ'ব সেই সময়ছোৱাও ভালদৰে পাৰ কৰিব। বজাৰ সমাৰ কৰি সময় নষ্ট নকৰিব, বৰং ইয়াৰ সলনি বুক ষ্টলত যাব, মৰকজৰ ফালৰ পৰা লগোৱা প্ৰদৰ্শনীবোৰ চাব আৰু ইয়াৰ পৰা নিজৰ ধৰ্মীয় আৰু ঐতিহাসিক জ্ঞানৰ পৰিধি বৃদ্ধি কৰিব। অস্থায়ী ভাৱে ইমান ডাঙৰ আয়োজনত ব্যৱস্থাপনাৰ ফালৰ পৰা কিবা কিবি কম বেছি হোৱাটো স্বাভাৱিক, গতিকে সেইবোৰ আওকাণ কৰিব লাগিব। উদাহৰণ স্বৰূপে যেনে খোৱা-লোৱাৰ ব্যৱস্থা আছে, যদি তাতে সময় মতে গৈ উপস্থিত হ'ব নোৱাৰে তেন্তে তেতিয়া যি পোৱা যায় তাকেই খাই লোৱাটো ঠিক হ'ব। ৰুটি বনাওতে হঠাৎ কিবা কাৰণত কেচা থাকে বা ভঁজা অলপ কম হয় বা সামান্য জ্বলি যায় যদি এইবোৰ অধিক বেছি হয় তেন্তে সেয়া এৰি দিব পাৰে আৰু যদি খোৱাৰ যোগ্য আছে তেন্তে খাই লোৱা উচিত। যান-বাহনৰ ব্যৱস্থাপনাত কিছুমান অভিযোগ আহি যায় তাতেও পৰিচালনা বিভাগৰ লগত সহযোগ ৰখা,পৰস্পৰে হাঁহিমুখে কথা-বতৰা পতা, পৰস্পৰে পৰস্পৰলৈ কোৰবাণীৰ এটা আগ্ৰহ দেখুৱা কেৱল কৰ্মী সকলৰ দায়িত্ব নহয় বৰং অতিথি সকলেও এই সম্পৰ্কে মনোযোগ দিয়া উচিত। যদি চৰিত্ৰ ভাল নহয় তেন্তে তাত একোৱে ভাল নহয়। মই আগতে এটা হাদীছ সম্পৰ্কে উল্লেখ কৰিছিলোঁ যে হাঁহিমুখে কথা পতাও ঈমানৰ অংশ আৰু এয়া এক প্ৰকাৰ ছাদকা হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তেতিয়ালৈকে কোনেও প্ৰকৃত মোমিন হ'ব নোৱাৰে যেতিয়ালৈকে তাৰ হৃদয় কোমল নহয়, যেতিয়ালৈকে তেওঁ নিজকে নিজে সকলোতকৈ অধম বুলি নেভাৱে আৰু মনৰ পৰা

অহংকাৰ দূৰ নহয়। নিজৰ সম্প্ৰদায়ৰ সেৱক হোৱাটো মৰ্যাদাৰ অধিকাৰী হোৱাৰ চিহ্ন। দৰিদ্ৰ জনৰ সৈতে সদ আচৰণ আৰু কোমলতাৰে কথা কোৱাটো আল্লাহৰ প্ৰিয় হোৱাৰ চিহ্ন। নেকিৰ সৈতে গোনাহৰ প্ৰত্যুত্তৰ দিয়া সৌভাগ্যশালীৰ লক্ষণ আৰু ক্ৰোধ দমন কৰি উচ্চ বাচ্য ৰোধ কৰাটো উচ্চ পৰ্যায়ৰ পুৰুষালি আৰু বীৰত্ব।

যদি আমি জলছাৰ এই তিনিটা দিন এইবোৰ কথাৰ ওপৰত আমল কৰো তেন্তে ইয়াৰে এটা নহয় এটা অভ্যাস আমাৰ মাজত গঢ়ি উঠিব আৰু বাকী দিনবোৰত গৈ আমি নিজৰ জীৱনত এইবিলাক কথাৰ ওপৰত আমল কৰিবলৈ সক্ষম হ'ব পাৰিম। নিজৰ নিজৰ ওপৰত নিজৰ ভাই সকলক প্ৰাধান্য দিয়াটো সাধাৰণ কাম নহয়, এয়া ডাঙৰ জিহাদৰ কাম। সেয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে ইয়াৰ সম্পৰ্ক হ'ল ঈমানৰ সৈতে নিবিড়। যদি মোক কোনোবাই ক্ৰোধান্বিত হৈ কিবা কয় আৰু মইয়ো তাক সেইদৰেই প্ৰত্যুত্তৰ দিওঁ তেন্তে মোৰ অৱস্থাৰ প্ৰতি বৰ আফছোচ হ'ব, মোৰ তাৰ বাবে দোৱা কৰাটোহে উচিত হ'ব। গতিকে এয়াই হ'ল সেই শিক্ষা আৰু সেই পৱিত্ৰ সমাজ ব্যৱস্থা যি ইছলামে প্ৰতিষ্ঠা কৰিব বিচাৰে।

বেলেগৰ বেমাৰৰ চিকিৎসা তেতিয়াহে কৰিব পৰা যাব যেতিয়া নিজে সুস্থ থাকিব। সকলো ধৰণৰ অহংকাৰ,উদ্যত্ব দূৰ কৰিব লাগিব। যদি পৰস্পৰে পৰস্পৰৰ ভুল ত্ৰুটি আওকাণ কৰি শান্তিপূৰ্ণ পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰে তেন্তে এই সকলোবোৰ উদ্দেশ্য সফল হ'ব যাৰ কাৰণে আমি ইয়াতে আহি সমৱেত হৈছো।

দেখা যায় যে মাজে সময়ে এই জলছাৰ দিনবোৰত এজনে আনজনৰ লগত হতাহতি পৰ্যন্ত কৰি পেলায়, এয়া ঠিক নহয়, যদি নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেন্তে জলছাত নহাটোৱে ভাল। যান-বাহনৰ পাৰ্কিং সম্পৰ্কে পৰিচালনা বিভাগৰ সৈতে সহযোগ কৰিব। যদি আল্লাহ তা'লাৰ সন্তুষ্টিৰ নিমিত্তে এই দিন কেইটা পাৰ কৰে আৰু আনন্দ মুখেৰে সকলোতে ধৈৰ্য ধাৰণ কৰি থাকে তেন্তে আল্লাহ তা'লা কোনো নহয় কোনো উপায়েৰে ইয়াৰ ফল আমাক দান কৰিব।

নিজে বাস কৰা সমাজ ব্যৱস্থাত শান্তি আৰু নিৰাপত্তাৰ পৰিৱেশ গঢ়ি তোলা আৰু ইয়াক বিস্তাৰ কৰা সম্পৰ্কে আঁহজৰত (ছাঃ)য়ে কৈছে যে ভোকাতুৰক খাবলৈ দিয়া আৰু পৰিচিত আৰু অপৰিচিত প্ৰত্যেক জনলৈ শান্তি পৌচাই দিয়া। কোটি কোটি লোক এনেকুৱা আছে যে খাবলৈ ৰুটি আছে, কিন্তু থাকিবলৈ ঘৰ নাই। ইছলামৰ আদেশ হ'ল ভোকাতুৰক খাবলৈ দিয়া অৰ্থাৎ যাৰ আছে তেওঁ যেন আনৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰে। হায়! মুছলমান দেশবোৰে এই গূঢ়াৰ্থ যেন বুজি পায় আৰু এই হতাশা যেন দূৰ কৰিবলৈ চেষ্টা কৰে।

আঁহজৰত (ছাঃ)য়ে ইছলামৰ শিক্ষা দি থৈ গৈছে যে ছালাম তেতিয়া শান্তি প্ৰদানাৰ্থে চেষ্টা কৰে। এজনৰ কষ্ট দূৰ কৰিবলৈ চেষ্টা কৰে। জলছাৰ এই দিনবোৰত প্ৰত্যেক আহমদীয়ে এজনে আনজনক এটা শান্তি প্ৰদানৰ চেষ্টা কৰা উচিত আৰু এয়া ইছলামত পৰৱৰ্তীত কৰিবলৈ চেষ্টা কৰা উচিত।

মানুহে সাধাৰণে সজ ভাৱ লৈয়ে এজনে আনজনৰ সৈতে মিলি থাকে, যাৰ দ্বাৰা মানুহৰ লাভ আহৰণ হৈ থাকে। ইয়াৰ দ্বাৰা প্ৰকৃত নিৰাপত্তা আৰু শান্তি উদ্ভাসিত হৈ পৰে। প্ৰকৃত নিৰাপত্তা আৰু শান্তি তেতিয়া জন্ম লয় যেতিয়া মনৰ দুখ ক্লান্তি দুৰ হয় আৰু হৃদয়ৰ পৰা এজনৰ আনজনৰ প্ৰতি শান্তিৰ দোৱা প্ৰকাশিত হয়। জলছাৰ পৰিৱেশ শান্তিৰ পৰিৱেশ হিচাপে গঢ়ি উঠক, হকুকুল ইবাদ আদায় (ভৃত্য সকলৰ অধিকাৰ পালন) কৰাটো আমাৰ জীৱনৰ অংশ হওঁক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জলছাৰ প্ৰোগ্ৰামবোৰ নীৰৱে মনোযোগ দি শুনিব, জলছাৰ ময়দানত আহি বহিব। হজৰত মছীহ মাওউদ (আঃ)য়ে এই অভ্যাসটো পছন্দ কৰা নাছিল যে কিছুমানৰ ভাষণ সুমধুৰ বুলি শুনিব আৰু এজনৰ ভাষণ সুমধুৰ নহ'ল বুলি নুশুনিব।

জলছাৰ দিন কেইটাত জিকৰে ইলাহি আৰু দৰূদ পাঠ বেছি বেছিকৈ পঢ়িব। বৰ্তমানে মহৰমৰ দিন চলি আছে, এই দিনতেই আল্লাহৰ নামলৈ আঁহজৰত (ছাঃ)ৰ ৰূহানি আৰু দৈহিক বংশধৰ সকলৰ ওপৰত জুলুম অত্যাচাৰ কৰা হৈছিল। বৰ্তমানে সেই একে জুলুম তেখেত (ছাঃ)ৰ ৰূহানি বংশধৰ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতৰ ওপৰত কৰা হৈ আছে। বৰ্তমানে পাকিস্তানত বৰ কঠিন পৰিস্থিতি বিৰাজ কৰি আছে। তেওঁলোকে কয় এয়া ৰছুল প্ৰেমৰ নামত হৈ আছে। তাতেই কিন্তু আমাৰ ঈমানৰ বুনিয়াদ আঁহজৰত (ছাঃ)ৰ ওপৰত আৰু তেখেত (ছাঃ) খাতামান নাবীঈন হোৱাৰ ওপৰত আৰু তেখেত (ছাঃ)য়ে লৈ অনা চৰিয়তৰ ওপৰত স্থাপিত। আমি আজি আঁহজৰত (ছাঃ)ৰ আদেশ শিৰোধাৰ্য কৰি হজৰত মছীহ মাওউদ (আঃ)ক মানি লৈছো। হজৰত মছীহ মাওউদ (আঃ)য়ে বিভিন্ন ঠাইত লিখি থৈ গৈছে মই যিখিনি পাইছো সেই সকলোবোৰ মই আঁহজৰত (ছাঃ)ক ভালপোৱাৰ ফলস্বৰূপে পাইছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবা জুমাৰ শেষত জলছা উপলক্ষে কয় যে জলছাৰ ময়দানত মহিলা সকলে কিছু বুজি পোৱা বালক বালিকা সকলক বুজাওঁক যে তেওঁলোকেও জলছাৰ প্ৰোগ্ৰাম বিলাক শুনিব লাগে। যিবোৰ নিৰ্দেশ কাৰ্যসূচীত উল্লেখ কৰা হৈছে, সেইবোৰ মানি চলিব লাগিব। আল্লাহ তা'লা আমাক সকলো ধৰণৰ বিপদ আপদৰ পৰা নিৰাপদ ৰাখক। লগতে আল্লাহ তা'লা তাৰ দয়া আৰু কৃপা ও ৰহম আমাৰ ওপৰত অবিচ্ছিন্ন ভাৱে বৰ্ষণ কৰি থাকক। অমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 28 JULY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844